জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ৩০১/২০২২**

**গান্ধী জয়ন্তী উপলক্ষে মহামানৱ মহাত্মা গান্ধীৰ প্ৰতি গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন মুখ্যমন্ত্ৰীৰ**

# আধ্যাত্মিকতা আৰু নৈতিকতাবোধ আছিল মহাত্মা গান্ধীৰ জীৱনাদৰ্শ ঃ মুখ্যমন্ত্ৰী

*শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপক পৰ্যটকৰ আকৰ্ষণৰ স্থলীৰূপে গঢ় দিয়াৰ উপৰি অসমৰ গৌৰৱৰ এক প্ৰতীক হিচাপে গঢ়ি তুলিবলৈ ৰাজ্য চৰকাৰে দৃঢ়তাৰে পদক্ষেপ লৈছে ঃ মুখ্যমন্ত্ৰী*

- **গান্ধী মণ্ডপত ভিউ পইণ্ট, পাৰ্কিং আদিকে ধৰি দৰ্শনাৰ্থীৰ বাবে অনাগত দিনত বহু ব্যৱস্থা লোৱা হ'ব**
- **গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত অব্যাহত থকা গীতা মন্দিৰৰ উন্নয়নৰ কাম এবছৰৰ ভিতৰত সম্পূৰ্ণ কৰাৰ লক্ষ্য নিৰ্ধাৰণ**
- **মহানগৰীৰ বাবে ১০০ খন চি এন জি বাছ আৰু ২০০ খন ইলেক্ট্ৰিক বাছ গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত ক্ৰয় কৰিব ৰাজ্য চৰকাৰে**

**দিছপুৰ, ০২ অক্টোবৰ ঃ** গান্ধী জয়ন্তী উপলক্ষে কামৰূপ মহানগৰ জিলা প্ৰশাসন আৰু গুৱাহাটী মহানগৰ উন্নয়ন কৰ্তৃপক্ষৰ উদ্যোগত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপত আয়োজন কৰা অনুষ্ঠানত আজি মুখ্যমন্ত্ৰী ডাঃ হিমন্ত বিশ্ব শৰ্মাই অংশগ্ৰহণ কৰাৰ লগতে অহিংসাৰ পূজাৰী, মহান ৰাষ্ট্ৰ নেতা মহাত্মা গান্ধীৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণেৰে গভীৰ শ্ৰদ্ধা নিবেদন কৰে। মুখ্যমন্ত্ৰীয়ে আজি গান্ধী মণ্ডপত পুনৰ নিৰ্মিত সংগ্ৰহালয়টো উদ্বোধন কৰাৰ লগতে এখন সৰ্বধৰ্ম প্ৰাৰ্থনা সভাতো অংশগ্ৰহণ কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধীজীৰ নীতি আৰু আদৰ্শৰে অনুপ্ৰাণিত হৈ অহিংসাক জীৱনৰ সাৰ কৰি পৃথিৱীত শান্তি-সম্প্ৰীতি, একতা আৰু ভাতৃত্ববোধ সুদৃঢ় কৰাৰ লক্ষ্যৰে আজি বিশ্ববাসীয়ে আন্তঃৰাষ্ট্ৰীয় অহিংসা দিৱস উদ্‌যাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে দেশৰ দ্বিতীয়গৰাকী প্ৰধানমন্ত্ৰী, স্বাধীনতা সংগ্ৰামী তথা জননেতা লালবাহাদুৰ শাস্ত্ৰীৰ জন্ম দিৱস উপলক্ষেও তেখেতলৈ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰে। মহাত্মা গান্ধীয়ে অতি সাধাৰণ জীৱন-যাপন কৰিছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ আধ্যাত্মিক আৰু নৈতিক জীৱন-যাপনৰ আদৰ্শৰে জাতিৰ পিতা পৰিচালিত হৈছিল। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে গান্ধীজীয়ে নিয়মানুৱৰ্তিতা আৰু এক স্বাস্থ্যসন্মত জীৱন কিদৰে যাপন কৰিছিল সেই বিষয়েও উল্লেখ কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ১৯৪৬ চনত চতুৰ্থবাৰৰ বাবে অসম ভ্ৰমণলৈ অহা গান্ধীজীয়ে শৰণীয়া পাহাৰত পদাৰ্পণ কৰিছিল। এই ভ্ৰমণকালৰ ঐতিহাসিক গুৰুত্ব ব্যাখ্যা কৰি প্ৰখ্যাত গান্ধীবাদী নেতা নটবৰ ঠক্কৰে

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

উল্লেখ কৰা বিষয় সম্পৰ্কত আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই ভ্ৰমণ কালতে গান্ধীজীয়ে কস্তুৰবা গান্ধী ৰাষ্ট্ৰীয় স্মাৰক ন্যাসৰ অসম শাখা আৰু এই শাখাৰ অধীনত আৰম্ভ হ'বলগীয়া গ্ৰাম্যসেৱিকা বিদ্যালয় উদ্বোধন কৰিছিল। সমগ্ৰ দেশৰ ভিতৰত গান্ধীজীয়ে উদ্বোধন কৰা এইটোৱে একমাত্ৰ শাখা আছিল। গান্ধীজীয়ে গান্ধীবাদী স্বৰ্গীয় অমলপ্ৰভা দাসক এই শাখাটো পৰিচালনা কৰাৰ দায়িত্ব অৰ্পণ কৰিছিল বুলিও তেওঁ কয়। মুখ্যমন্ত্ৰীয়ে কয় যে এই শৰণীয়া পাহাৰ অমলপ্ৰভা দাসৰ পিতৃ ডাঃ হৰেকৃষ্ণ দাস আৰু তেওঁৰ পৰিয়ালে গ্ৰামসেৱিকা বিদ্যালয় আৰু অন্যান্য কাৰ্যকলাপৰ বাবে দান কৰিছিল। এই পাহাৰটো গুৱাহাটীৰ দৰিদ্ৰ পীড়িত লোকসকলৰ বাসস্থানে আগুৰি আছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধীজীয়ে দৰিদ্ৰ লোকৰ মাজত থাকিব বিচাৰিছিল আৰু সেয়েহে তেওঁৰ বাবে বিশেষভাৱে এটা সৰু কুটিৰ নিৰ্মাণ কৰা হৈছিল। ডাঃ হৰেকৃষ্ণ দাস, গোপীনাথ বৰদলৈ, ডাঃ ভুৱনেশ্বৰ বৰুৱাৰ নেতৃত্বত কংগ্ৰেছৰ সকলো জ্যেষ্ঠ নেতাই হাতে-কামে লাগি বাহৰ কুটিৰটো নিৰ্মাণ কৰিছিল বুলিও তেওঁ কয়।

গান্ধীজীলৈ শ্ৰদ্ধা নিবেদনৰ অংশ হিচাপে কালিৰে পৰা গান্ধী মণ্ডপত গুৱাহাটী স্মাৰ্ট চিটী প্ৰজেক্টৰ অধীনত ৰূপায়িত লাইট এণ্ড ছাউণ্ড শ্ব'ৰ শুভাৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গান্ধী মণ্ডপৰ লাইট এণ্ড ছাউণ্ড শ্ব' অসমৰ প্ৰথম হল'গ্ৰাফিক প্ৰজেকশ্যন শ্ব'। 'পূৰ্ব প্ৰভা' নামৰ এই প্ৰদৰ্শনী অসমীয়া ভাষাত আৰম্ভ কৰা হৈছে যদিও পৰৱৰ্তী সময়ত হিন্দী আৰু ইংৰাজীকে ধৰি আন ভাষাতো প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হ'ব বুলিও তেওঁ কয়। এই প্ৰদৰ্শনী সফলতাৰে প্ৰস্তুত কৰি তোলাৰ বাবে মুখ্যমন্ত্ৰীয়ে ট্ৰাই কালাৰ ইণ্ডিয়াৰ সমূহ কৰ্মকৰ্তাৰ শলাগ লয়। মুখ্যমন্ত্ৰীয়ে কয় যে ব্ৰহ্মপুত্ৰক কেন্দ্ৰ কৰি প্ৰস্তুত কৰা এই শ্ব'ত অসমৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কেতবোৰ গুৰুত্বপূৰ্ণ অধ্যায় তুলি ধৰা হৈছে। ভগদত্তৰ সময়ৰ পৰা আৰম্ভ কৰি চ্যুকাফাৰ অসম আগমণ আৰু পৰৱৰ্তী ইতিহাস, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদান, লাচিতৰ বীৰত্ব, মণিৰাম দেৱানৰ ত্যাগকে ধৰি স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা আৰু গান্ধীজীৰ আগমণে দেশৰ এই প্ৰান্তত অধিক তীব্ৰতৰ কৰি তোলা স্বাধীনতা আন্দোলনৰ ছবি এই শ্ব'ৰ জৰিয়তে তুলি ধৰিবলৈ প্ৰয়াস কৰা হৈছে। এই প্ৰদৰ্শনীয়ে স্বাধীনতা আন্দোলনত অসমৰ ভূমিকা যাউতিযুগীয়া কৰাত নিশ্চিতভাৱে এক উল্লেখযোগ্য বৰঙণি আগবঢ়াব বুলিও মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে গান্ধীজীৰ স্মৃতি বিজড়িত শৰণীয়া পাহাৰৰ গান্ধী মণ্ডপক পৰ্যটকৰ আকৰ্ষণৰ স্থলীৰূপে গঢ় দিয়াৰ উপৰি অসমৰ গৌৰৱৰ এক প্ৰতীক হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে।

অনুষ্ঠানত ড° শৰ্মাই কয় যে গুৱাহাটী স্মাৰ্ট চিটি লিমিটেড আৰু লোক নিৰ্মাণ (গৃহ) বিভাগৰ অধীনত গান্ধী মণ্ডপৰ সংগ্ৰহালয়টো পুনৰ নিৰ্মাণ কৰাৰ উপৰি এইটো অধিক তথ্যসমৃদ্ধ কৰি গঢ় দিয়া হৈছে। গুৱাহাটী স্মাৰ্ট চিটি লিমিটেডে এই মণ্ডপ উন্নীতকৰণৰ অৰ্থে দ্বিতীয় পৰ্যায়ত আৰু কেইবাটাও প্ৰকল্প ৰূপায়ণৰ বাবে হাতত লৈছে বুলিও উল্লেখ কৰি তেওঁ কয় যে এই স্থানত ভিউ পইণ্ট, পাৰ্কিং আদিকে ধৰি দৰ্শনাৰ্থীৰ বাবে অনাগত দিনত বহু ব্যৱস্থা কৰা হ'ব। গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত গীতা মন্দিৰৰ উন্নয়নৰ কাম আৰম্ভ হৈছে আৰু এবছৰৰ ভিতৰত এই কাম সম্পূৰ্ণ হ'ব বুলিও তেওঁ সদৰি কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে গুৱাহাটী স্মাৰ্ট চিটি প্ৰকল্পৰ অধীনত মহানগৰীৰ বাবে ১০০ খন চি এন জি বাছ

আৰু ২০০ খন ইলেক্ট্ৰিক বাছ ক্ৰয়ৰ বাবে ৰাজ্য চৰকাৰে ব্যৱস্থা লৈছে। উজান বজাৰৰ ব্ৰহ্মপুত্ৰৰ নৈৰ পাৰ উন্নয়নৰ বাবে নিবিদা আহ্বান কৰা হৈছে বুলিও তেওঁ কয়।

আজিৰ অনুষ্ঠানত নগৰ উন্নয়ন মন্ত্ৰী অশোক সিংহল, সাংসদ কুইন ওজা, জি এম ডি এৰ অধ্যক্ষ নাৰায়ণ ডেকা, গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া, জি এম চিৰ উপ-মেয়ৰ স্মিতা ৰয়, কামৰূপ (ম) জিলাৰ উপায়ুক্ত পল্লৱ গোপাল ঝা, গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ আয়ুক্ত তথা সচিব কবিতা পদ্মনাভন, স্মাৰ্ট চিটি প্ৰকল্পৰ পৰিচালন সঞ্চালক ড° লক্ষ্মণন এচ, গুৱাহাটীৰ আৰক্ষী আয়ুক্ত হৰমিত সিং আদিকে ধৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ**
**০২/১০/২০২২**